**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-01-2025
**Time :** 12-05 Hrs.

***Assamese Midday Bulletin***

২০৩০ চনৰ ভিতৰত অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ১৪ কোটি ৩০ লাখ আমেৰিকান ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে । মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি জাপান ভ্ৰমণৰ দ্বিতীয় দিনা দেশখনৰ ৮০ গৰাকীতকৈও অধিক উদ্যোগপতিৰ সৈতে বাৰ্তালাপত মিলিত হৈ এই কথা প্ৰকাশ কৰে। তেওঁ লগতে অসমক দেশৰ পৰৱৰ্তী অৰ্থনৈতিক কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ পৰিকল্পনা কৰা হৈছে বুলি জানিবলৈ দিয়ে।

মুখ্যমন্ত্ৰী শৰ্মাই আজি তেওঁৰ জাপান ভ্ৰমণৰ তৃতীয় দিনা দেশখনৰ কেইবাগৰাকীও শীৰ্ষ উদ্যোগপতিক সাক্ষাৎ কৰিব। অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণৰ বাবে মুখ্যমন্ত্ৰীয়ে জাপানৰ বিনিয়োগকাৰীসকলক আমন্ত্ৰণ জনায়।

০০০০

৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ বাবে দেশৰ আন বিভিন্ন  প্ৰান্তৰ লগতে অসমতো পূৰ্ণ প্ৰস্তুতি চলিছে। গণৰাজ্য দিৱসৰ সময়ছোৱাত যাতে কোনোধৰণৰ কূটাঘাতমূলক ঘটনা সংঘটিত হ'ব নোৱাৰে তাৰ বাবে আৰক্ষীয়ে কটকটীয়া নিৰাপত্তা গঢ়ি তুলিছে। খানাপাৰাৰ অসম পশুপালন আৰু পশু চিকিৎসালয় খেলপথাৰত হ'বলগীয়া কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পতাকা উত্তোলন কৰিব। আনহাতে, পূৰ্ব নিৰ্ধাৰিত ঘোষণা অনুসৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এইবাৰ ডিব্ৰুগড়ত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। ৰাজ্য চৰকাৰৰ মন্ত্ৰীসভাৰ সদস্যসকলৰ লগতে আন আন সকলে পতাকা উত্তোলন কৰিবলগীয়া স্থান কালি মুখ্য সচিব ড০ ৰবি কোটাই অধিসূচনাযোগে প্ৰকাশ কৰিছে।

ইপিনে, ৰাজ্যৰ আন বিভিন্ন স্থানৰ লগতে গোৱালপাৰা জিলাত গণৰাজ্য দিৱসৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰা হৈছে। জিলাখনৰ প্ৰশাসনে গোৱালপাৰা চহৰৰ জে টি এছ খেলপথাৰত গণৰাজ্য দিৱস পালন কৰিব। জিলাখনত গণৰাজ্য দিৱসৰ সময়ছোৱাত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ বাবে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে। নদীপথৰ লগতে অসম-মেঘালয় সীমান্তৰ স্পৰ্শকাতৰ অঞ্চলসমূহতো প্ৰশাসনে তালাচী অব্যাহত ৰাখিছে। একেদৰে তিনিচুকীয়া জিলাতো গণৰাজ্য দিৱসৰ প্ৰস্তুতি পূৰ্ণ গতিত চলিছে। গণৰাজ্য দিৱসৰ সৈতে সংগতি ৰাখি জিলাখনত আগতীয়াকৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন, কুইজ, ৰচনা আৰু শ্লোগান লিখা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

০০০০

আজি ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস। প্ৰতি বছৰে ২৪ জানুৱাৰীত এই দিৱস পালন কৰা হয়। কেন্দ্ৰীয় মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ৰ উদ্যোগত ২০০৮ চনৰে পৰা এই দিৱস পালন কৰি অহা হৈছে। এই উপলক্ষে আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এটা বাৰ্তাযোগে কয়, যে চৰকাৰ কন্যা সকলক উজ্বল ভৱিষ্যত প্ৰদানৰ

ব্যৱস্থা শক্তিশালী কৰি তুলিবলৈ বদ্ধপৰিকৰ। ৰাজ্যত বিভিন্ন পদক্ষেপৰ মাজেৰে কন্যা শিশুসকলৰ সপোন বাস্তৱায়িত কৰাৰ বাবে সকলোধৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে বুলি তেওঁ মন্তব্য কৰে।

০০০০

সদৌ অসম মটক ছাত্ৰ সন্থাৰ ২৮ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস কালি দিনজোৰা কাৰ্যসূচীৰে পানীতোলাত অনুষ্ঠিত হয়। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি মটক ৰজা সৰ্বানন্দ সিংহৰ সোঁৱৰণত আগবঢ়োৱা বেংমৰা সমন্বয় বঁটা সদৌ অসম ছাত্ৰ সন্থাৰ একালৰ সভাপতি তথা অগপৰ বৰ্তমানৰ সভাপতি, মন্ত্ৰী অতুল বৰাক প্ৰদান কৰা হয়। এই অনুষ্ঠানতে একুৰিৰো অধিক বিশিষ্ট ব্যক্তিক সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা অৰিহনাৰ বাবে সম্বৰ্দ্ধনা জনোৱা হয়। প্ৰতিষ্ঠা দিৱস উপলক্ষে প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থখন তিনিচুকীয়া জিলাৰ সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়াই উন্মোচন কৰে।

০০০০

বংগোপ সাগৰৰ শীতল বতাহ বাংলাদেশৰ মাজেৰে উত্তৰ পূৰ্বাঞ্চলত প্ৰবেশ কৰাত কালি সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ তাপমাত্ৰা নিম্নগামী হয়। ইয়াৰ ফলত উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ঠাইত কালি ঘন কুঁৱলীৰ আচ্ছাদন পৰা দেখা যায়। গুৱাহাটী মহানগৰীতো কালি পুৱা প্ৰায় ৯ বজাৰ পৰাই ডাঠ কুঁৱলী পৰা পৰিলক্ষিত হয়। ইয়াৰ ফলত দৃশ্যমানতা হ্ৰাস পোৱাত কালি বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ পৰা যাবলগীয়া আৰু আহিবলগীয়া ভালেকেইখন বিমানৰ যাত্ৰা এঘণ্টাৰ পৰা ৫ ঘণ্টা পৰ্যন্ত বিলম্ব হয়। কালি শিলচৰ আৰু ইম্ফল বিমান বন্দৰতো দৃশ্যমানতা হ্ৰাস পোৱাত কেইবাখনো বিমানৰ যাত্ৰা বাতিল কৰিবলগীয়া হয়। কলকাতাৰ নেতাজী সুভাষ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰাও ভালেকেইখন বিমানৰ উৰণ বাতিল অথবা বিলম্ব হয়। আজি পুৱাৰ ভাগতো গুৱাহাটীত ডাঠ কুঁৱলী পৰা  পৰিলক্ষিত হৈছে। আমালৈ অহা বাতৰি অনুসৰি বৰঝাৰ বিমান বন্দৰত উত্তৰ ভাৰত আৰু পূব ভাৰতৰ পৰা অহা বিমানসমূহ এঘণ্টাৰ পৰা দুঘণ্টা পৰ্যন্ত বিলম্বিত হৈছে। অৱশ্যে বাংগালুৰু আৰু চেন্নাইৰ পৰা অহা প্ৰায় নিৰ্ধাৰিত সময় মতেই চলি আছে।

০০০০

লখিমপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন পত্ৰিকা সম্পাদক প্ৰশান্ত কুমাৰ মোদকক অসম সাহিত্য সভাৰ জিলা প্ৰতিনিধি হিচাপে নিৰ্বাচিত কৰা হৈছে। লখিমপুৰ জিলা সাহিত্য সভাৰ দ্বাবিংশতিতম দ্বিবাৰ্ষিক অধিৱেশনত কালি সৰ্বসন্মতিক্ৰমে বিশিষ্ট সংবাদকৰ্মীগৰাকীক  নিৰ্বাচিত কৰা হয়।

০০০০

বাক্সা জিলাৰ ভাৰত-ভূটান সীমান্তৰ সুবনখাটাত ৮ দিনীয়াকৈ অনুষ্ঠিত ত্ৰয়োদশ ভাৰত-ভূটান মৈত্ৰী মেলা আৰু ৭৩ সংখ্যক মাঘ মেলাৰ আজি সামৰণি পৰিব। মেলাৰ প্ৰতিটো দিনতে অগণন লোকৰ সমাগম হোৱা পৰিলক্ষিত হয়। বড়ো, ৰাভা, গোৰ্খা, চাওতালী, কোচ ৰাজবংশীকে ধৰি বিভিন্ন জনগোষ্ঠীৰ লোকে মেলাৰ সৈতে সংগতি ৰাখি আয়োজিত সাংস্কৃতিক অনুষ্ঠানত নৃত্যগীত পৰিবেশন কৰে।

০০০০

**সমNSD NEWS UNIT**

AKASHVANI, GUWAHATI

0000000000

**Date :** 24-01-2025
**Time :** 12-05 Hrs.

***Assamese Midday Bulletin***

২০৩০ চনৰ ভিতৰত অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ১৪ কোটি ৩০ লাখ আমেৰিকান ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে । মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি জাপান ভ্ৰমণৰ দ্বিতীয় দিনা দেশখনৰ ৮০ গৰাকীতকৈও অধিক উদ্যোগপতিৰ সৈতে বাৰ্তালাপত মিলিত হৈ এই কথা প্ৰকাশ কৰে। তেওঁ লগতে অসমক দেশৰ পৰৱৰ্তী অৰ্থনৈতিক কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ পৰিকল্পনা কৰা হৈছে বুলি জানিবলৈ দিয়ে।

মুখ্যমন্ত্ৰী শৰ্মাই আজি তেওঁৰ জাপান ভ্ৰমণৰ তৃতীয় দিনা দেশখনৰ কেইবাগৰাকীও শীৰ্ষ উদ্যোগপতিক সাক্ষাৎ কৰিব। অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণৰ বাবে মুখ্যমন্ত্ৰীয়ে জাপানৰ বিনিয়োগকাৰীসকলক আমন্ত্ৰণ জনায়।

০০০০

৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ বাবে দেশৰ আন বিভিন্ন প্ৰান্তৰ লগতে অসমতো পূৰ্ণ প্ৰস্তুতি চলিছে। গণৰাজ্য দিৱসৰ সময়ছোৱাত যাতে কোনোধৰণৰ কূটাঘাতমূলক ঘটনা সংঘটিত হ'ব নোৱাৰে তাৰ বাবে আৰক্ষীয়ে কটকটীয়া নিৰাপত্তা গঢ়ি তুলিছে। খানাপাৰাৰ অসম পশুপালন আৰু পশু চিকিৎসালয় খেলপথাৰত হ'বলগীয়া কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পতাকা উত্তোলন কৰিব। আনহাতে, পূৰ্ব নিৰ্ধাৰিত ঘোষণা অনুসৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এইবাৰ ডিব্ৰুগড়ত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। ৰাজ্য চৰকাৰৰ মন্ত্ৰীসভাৰ সদস্যসকলৰ লগতে আন আন সকলে পতাকা উত্তোলন কৰিবলগীয়া স্থান কালি মুখ্য সচিব ড০ ৰবি কোটাই অধিসূচনাযোগে প্ৰকাশ কৰিছে।

ইপিনে, ৰাজ্যৰ আন বিভিন্ন স্থানৰ লগতে গোৱালপাৰা জিলাত গণৰাজ্য দিৱসৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰা হৈছে। জিলাখনৰ প্ৰশাসনে গোৱালপাৰা চহৰৰ জে টি এছ খেলপথাৰত গণৰাজ্য দিৱস পালন কৰিব। জিলাখনত গণৰাজ্য দিৱসৰ সময়ছোৱাত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ বাবে কটকটীয়া নিৰাপৰা ব্যৱস্থা গঢ়ি তোলা হৈছে। নদীপথৰ লগতে অসম-মেঘালয় সীমান্তৰ স্পৰ্শকাতৰ অঞ্চলসমূহতো প্ৰশাসনে তালাচী অব্যাহত ৰাখিছে। একেদৰে তিনিচুকীয়া জিলাতো গণৰাজ্য দিৱসৰ প্ৰস্তুতি পূৰ্ণ গতিত চলিছে। গণৰাজ্য দিৱসৰ সৈতে সংগতি ৰাখি জিলাখনত আগতীয়াকৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন, কুইজ, ৰচনা আৰু শ্লোগান লিখা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

০০০০

আজি ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস। প্ৰতি বছৰে ২৪ জানুৱাৰীত এই দিৱস পালন কৰা হয়। কেন্দ্ৰীয় মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ৰ উদ্যোগত ২০০৮ চনৰে পৰা এই দিৱস পালন কৰি অহা হৈছে। এই উপলক্ষে আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এটা বাৰ্তাযোগে কয়, যে চৰকাৰ কন্যা সকলক উজ্বল ভৱিষ্যত প্ৰদানৰ ব্যৱস্থা শক্তিশালী কৰি তুলিবলৈ বদ্ধপৰিকৰ। ৰাজ্যত বিভিন্ন পদক্ষেপৰ মাজেৰে কন্যা শিশুসকলৰ সপোন বাস্তৱায়িত কৰাৰ বাবে সকলোধৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে বুলি তেওঁ মন্তব্য কৰে।

০০০০

সদৌ অসম মটক ছাত্ৰ সন্থাৰ ২৮ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস কালি দিনজোৰা কাৰ্যসূচীৰে পানীতোলাত অনুষ্ঠিত হয়। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি মটক ৰজা সৰ্বানন্দ সিংহৰ সোঁৱৰণত আগবঢ়োৱা বেংমৰা সমন্বয় বঁটা সদৌ অসম ছাত্ৰ সন্থাৰ একালৰ সভাপতি তথা অগপৰ বৰ্তমানৰ সভাপতি, মন্ত্ৰী অতুল বৰাক প্ৰদান কৰা হয়। এই অনুষ্ঠানতে একুৰিৰো অধিক বিশিষ্ট ব্যক্তিক সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা অৱিহনাৰ বাবে সম্বৰ্দ্ধনা জনোৱা হয়। প্ৰতিষ্ঠা দিৱস উপলক্ষে প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থখন তিনিচুকীয়া জিলাৰ সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়াই উন্মোচন কৰে।

০০০০

বংগোপ সাগৰৰ শীতল বতাহ বাংলাদেশৰ মাজেৰে উত্তৰ পূৰ্বাঞ্চলত প্ৰবেশ কৰাত কালি সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ তাপমাত্ৰা নিম্নগামী হয়। ইয়াৰ ফলত উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ঠাইত কালি ঘন কুঁৱলীৰ আচ্ছাদন পৰা দেখা যায়। গুৱাহাটী মহানগৰীতো কালি পুৱা প্ৰায় ৯ বজাৰ পৰাই ডাঠ কুঁৱলী পৰা পৰিলক্ষিত হয়। ইয়াৰ ফলত দৃশ্যমানতা হ্ৰাস পোৱাত কালি বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ পৰা যাবলগীয়া আৰু আহিবলগীয়া ভালেকেইখন বিমানৰ যাত্ৰা এঘণ্টাৰ পৰা ৫ ঘণ্টা পৰ্যন্ত বিলম্ব হয়। কালি শিলচৰ আৰু ইম্ফল বিমান বন্দৰতো দৃশ্যমানতা হ্ৰাস পোৱাত কেইবাখনো বিমানৰ যাত্ৰা বাতিল কৰিবলগীয়া হয়। কলকাতাৰ নেতাজী সুভাষ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰাও ভালেকেইখন বিমানৰ উৰণ বাতিল অথবা বিলম্ব হয়। আজি পুৱাৰ ভাগতো গুৱাহাটীত ডাঠ কুঁৱলী পৰা  পৰিলক্ষিত হৈছে। আমালৈ অহা বাতৰি অনুসৰি বৰঝাৰ বিমান বন্দৰত উত্তৰ ভাৰত আৰু পূব ভাৰতৰ পৰা অহা বিমানসমূহ এঘণ্টাৰ পৰা দুঘণ্টা পৰ্যন্ত বিলম্বত হৈছে। অৱশ্যে বাংগালুৰু আৰু চেন্নাইৰ পৰা অহা প্ৰায় নিৰ্ধাৰিত সময় মতেই চলি আছে।

০০০০

লখিমপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন পত্ৰিকা সম্পাদক প্ৰশান্ত কুমাৰ মোদকক অসম সাহিত্য সভাৰ জিলা প্ৰতিনিধি হিচাপে নিৰ্বাচিত কৰা হৈছে। লখিমপুৰ জিলা সাহিত্য সভাৰ দ্বাবিংশতিতম দ্বিবাৰ্ষিক অধিৱেশনত কালি সৰ্বসন্মতিক্ৰমে বিশিষ্ট সংবাদকৰ্মীগৰাকীক  নিৰ্বাচিত কৰা হয়।

০০০০

বাক্সা জিলাৰ ভাৰত-ভূটান সীমান্তৰ সুৱনখাটাত ৮ দিনীয়াকৈ অনুষ্ঠিত ত্ৰয়োদশ ভাৰত-ভূটান মৈত্ৰী মেলা আৰু ৭৩ সংখ্যক মাঘ মেলাৰ আজি সামৰণি পৰিব। মেলাৰ প্ৰতিটো দিনতে অগণন লোকৰ সমাগম হোৱা পৰিলক্ষিত হয়। বড়ো, ৰাভা, গোৰ্খা, চাওতালী, কোচ ৰাজবংশীকে ধৰি বিভিন্ন জনগোষ্ঠীৰ লোকে মেলাৰ সৈতে সংগতি ৰাখি আয়োজিত সাংস্কৃতিক অনুষ্ঠানত নৃত্যগীত পৰিবেশন কৰে।

০০০০

সমাপ্ত